# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 21-04-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত হ'বলগীয়া সপ্তদশ অসামৰিক সেৱা দিৱসত ভাষণ দিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ চৌদি আৰবৰ জেদ্দালৈ ৰাওনা হ'ব আৰু তাত তেওঁ ভাৰতীয় মূলৰ লোকসকলক সাক্ষাৎ কৰিব।

৩। জম্মুৰ ৰামবান জিলাৰ চেৰিবাগনা অঞ্চলত শেহতীয়া ডাৱৰ বিস্ফোৰণৰ ফলত ভূমিস্খলন হোৱাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোত উদ্ধাৰ আৰু সাহায্য অভিযান আজিও অব্যাহত আছে।

৪। ইজৰাইলী সেনাৰ আক্ৰমণত কালি গাজাত কমেও ২৯ গৰাকী পেলেষ্টাইনীৰ মৃত্যু হয়।

*আৰু*

৫। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত কালি অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছে চেন্নাই ছুপাৰ কিংছ ৯ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত হ'বলগীয়া সপ্তদশ অসামৰিক সেৱা দিৱসত ভাষণ কৰিব। এই দিৱসত অংশ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত উৎকৃষ্টতা দেখুওৱা লোকসকললৈ পুৰস্কাৰ আগবঢ়াব। সেৱা দিৱস উপলক্ষে এই বৰ্ষত প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন ক্ষেত্ৰত মুঠ ১৪টা পুৰস্কাৰ আগবঢ়াব। প্ৰধানমন্ত্ৰীগৰাকীয়ে অসামৰিক সেৱাৰ ক্ষেত্ৰত নিয়োজিত লোকসকলক জনসাধাৰণৰ কল্যাণৰ অৰ্থে কাম কৰিবলৈ সদায় উৎসাহিত কৰি আহিছে। দেশৰ জনসাধাৰণৰ কল্যাণৰ বাবে অসামৰিক সেৱাৰ সৈতে জড়িত লোকসকলে যাতে নিজৰ সৰ্বোচ্চ সেৱা আগবঢ়াব পাৰে আৰু লগতে জনসাধাৰণৰ প্ৰতি তেওঁলোকৰ প্ৰতিশ্ৰুতিক সোঁৱৰাই দিবলৈ প্ৰতি বছৰে এই দিৱস উদ্যাপন কৰা হয়। ১৯৪৭ চনত চৰ্দাৰ বল্লভ ভাই পেটেলে আজিৰ এই দিনটোতে প্ৰশাসনিক সেৱা বিষয়াসকলক উদ্দেশ্যি ভাষণ দিছিল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ চৌদি আৰবৰ জেদ্দালৈ ৰাওনা হ'ব। এয়া হ'ব, বিগত চাৰিটা দশকৰ ভিতৰত চৌদি আৰবৰ ব্যৱসায়িক কেন্দ্ৰলৈ কোনো ভাৰতীয় নেতাৰ প্ৰথমটো ভ্ৰমণ। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়োখন দেশৰ সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে অৰ্থনৈতিক, প্ৰতিৰক্ষা, সাংস্কৃতিক আৰু কৌশলগত সহযোগিতাৰ দিশত বিশেষ গুৰুত্ব বহন কৰিব বুলি আশা কৰা হৈছে। ভাৰত আৰু চৌদি আৰবে অৰ্থনৈতিক অংশীদাৰিত্বৰ লগতে শতিকা

পুৰণি বন্ধুত্বক উচ্চ পৰ্যায়ৰ পাৰস্পৰিক বিনিময় আৰু কৌশলগত চুক্তিৰ মাধ্যমেৰে বিগত দশকবোৰত আৰু শক্তিশালী কৰি তুলিছে।

চৌদি আৰৱত ভাৰতীয় মূলৰ লোকসকলে নিজৰ স্থিতি শক্তিশালী কৰি দেশখনৰ অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াইছে। শেহতীয়া তথ্য মতে চৌদি আৰৱত ভাৰতীয় জনসংখ্যা প্ৰায় ২ দশমিক ৭ মিলিয়ন আৰু ই পূৰ্বৰ বছৰতকৈ ১০ শতাংশ বৃদ্ধি পাইছে। ২০২৩-২৪ বৰ্ষত ২ লাখ নতুন ভাৰতীয় দেশখনলৈ আগমণ ঘটিছে। চৌদি আৰৱৰ অৰ্থনীতিৰ লগতে বিভিন্ন ক্ষেত্ৰত এই বৃদ্ধিয়ে বৃত্তিগত আৰু দক্ষতাপূৰ্ণ ভাৰতীয়সকলৰ চাহিদাৰ কথাকে সূচাইছে।

অৰ্থনৈতিক দিশটোৰ উপৰিও সাংস্কৃতিক বিনিময়েৰে চৌদি আৰৱত ভালেসংখ্যক সাংস্কৃতিক কাৰ্যসূচী, শৈক্ষিক প্ৰতিষ্ঠান আৰু ভাৰতীয় সম্প্ৰদায়ে আয়োজন কৰা বিভিন্ন অনুষ্ঠানৰ জৰিয়তে ভাৰতীয় লোকসকলে দেশখনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আসন্ন চৌদি আৰৱ ভ্ৰমণে দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত ভাৰতীয় মূলৰ লোকসকলৰ উল্লেখযোগ্য ভূমিকাৰ আলোকপাত কৰিব বুলি আশা কৰা হৈছে।

ooooo

জম্মুৰ ৰামবান জিলাৰ চেৰিবাগনা অঞ্চলত শেহতীয়া ডাৱৰ বিস্ফোৰণৰ ফলত ভূমিস্খলন হোৱাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোত উদ্ধাৰ আৰু সাহায্য অভিযান আজিও অব্যাহত আছে। কৰ্তৃপক্ষই কাশ্মীৰ উপত্যকাত দেশৰ বাকী অংশৰ সৈতে সংযোগ কৰা জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথটো পুনৰ মুকলি কৰাৰ বাবে কাম কৰি আছে। শিলা বৃষ্টি, কৃত্ৰিম বান আৰু প্ৰতিকূল বতৰৰ বাবে অঞ্চলটোত বহু ক্ষতি হৈছে।

ডাৱৰ বিস্ফোৰণৰ ঘটনাত কালি জিলাখনত দুগৰাকী শিশু আৰু এগৰাকী বয়োজ্যেষ্ঠ লোককে ধৰি মুঠ ৩ জন লোকৰ মৃত্যু হৈছে। ১০০কৈও অধিক লোকক উদ্ধাৰ কৰা হৈছে। ভূমিস্খলন আৰু কৃত্ৰিম বানৰ ফলত অঞ্চলটোৰ পথ পৰিবহণ, সা-সম্পত্তি আৰু যান-বাহনৰ যথেষ্ট ক্ষতি হৈছে।

প্ৰতিকূল বতৰৰ বাবে শস্য পথাৰ বিশেষকৈ আপেল খেতিৰ যথেষ্ট ক্ষতি হোৱাৰ ফলত কৃষকসকল ব্যাপক লোকচানৰ সন্মুখীন হৈছে। বউলী বজাৰত হোৱা কৃত্ৰিম বানৰ বাবে অঞ্চলটোৰ বহু দোকান ঘৰ ধ্বংস হোৱাৰ লগতে কেইবাখনো গাড়ী বোকাত পোত খাই গৈছে। জিলাখনৰ ঠায়ে ঠায়ে বিদ্যুৎ সংযোগ ব্যাহত হোৱাৰ লগতে মোবাইল নেটৱৰ্কত ব্যাঘাত জন্মিছে। আৰক্ষীৰ লগতে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, সেনা বাহিনী আৰু স্থানীয় বে-চৰকাৰী সংস্থাৰ সংস্থাৰ সদস্যসকলে ক্ষতিগ্ৰস্ত এলেকাত উদ্ধাৰ আৰু সাহায্য অভিযান চলাই আছে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপ ৰাষ্ট্ৰপতি জে ডি ভান্সে আজি চাৰিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হ'ব। এই ভ্ৰমণকালত উপ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে তেওঁৰ পত্নী উষা ভান্সে আৰু পৰিয়ালৰ লোকসকলৰ লগতে আমেৰিকা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকলো থাকিব। উপ ৰাষ্ট্ৰপতি শ্ৰীভান্সে আজি সন্ধিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। প্ৰধানমন্ত্ৰীৰ সৈতে সাক্ষাতৰ সময়ছোৱাত উপ ৰাষ্ট্ৰপতি ভান্সে দুয়োখন দেশৰ পাৰস্পৰিক নিৰ্ভৰশীল বিষয়াসমূহৰ ক্ষেত্ৰত আলোচনা কৰি উপ ৰাষ্ট্ৰপতি আৰু তেওঁৰ বিষয়াসকলে ভাৰত এৰাৰ পূৰ্বে জয়পুৰ আৰু আগ্ৰা ভ্ৰমণ কৰিব।

ooooo

ইজৰাইলী সেনাৰ আক্ৰমণত কালি গাজাত কমেও ২৯ গৰাকী পেলেষ্টাইনীৰ মৃত্যু হয়। গাজাৰ অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সূত্ৰই জনোৱা মতে চেন্ট্ৰেল গাজাত এই আক্ৰমণত ১০ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাগৰাকীও আহত হয়। দেশখনৰ অসামৰিক প্ৰতিৰক্ষা বিভাগৰ মুখপাত্ৰ মহমোদ বাচালে সংবাদ মাধ্যমক জনোৱা অনুসৰি দক্ষিণ গাজাত ইজৰাইলৰ ড্ৰোণ আক্ৰমণত এগৰাকী পেলেষ্টাইনী মহিলাৰ মৃত্যু হোৱাৰ লগতে ৪ জন আহত হয়। আন দুটা পৃথক আক্ৰমণত ৪ জন লোকৰ মৃত্যু হয়। উত্তৰ গাজাত ইজৰাইলৰ বিমান আক্ৰমণত ৮ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে ৰাফা চহৰত ৫ জন লোকৰ মৃত্যু হয়।

০০০০০

বিগত মাহত গাজাত ১৫ গৰাকী পেলেষ্টাইনী চিকিৎসকক হত্যা কৰাৰ বিষয়ত ইজৰাইলী অনুসন্ধানৰ প্ৰতিবেদন প্ৰকাশ পাইছে। এই প্ৰতিবেদনত পেছাদাৰী ব্যৰ্থতাৰ দিশটো উন্মোচন হোৱাৰ লগতে এই সন্দৰ্ভত এজন উপ সেনাধ্যক্ষকক বৰ্খাস্ত কৰা বুলি প্ৰকাশ কৰিছে।

চিকিৎসকৰ হত্যা সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে ইয়াক যুদ্ধ অপৰাধ হিচাপে গণ্য কৰিছে। কিয়নো আন্তঃৰাষ্ট্ৰীয় মানৱীয় আইন অনুসৰি চিকিৎসা কৰ্মীৰ ক্ষেত্ৰত বিশেষ সুৰক্ষাৰ নিয়ম আছে। আন্তঃৰাষ্ট্ৰীয় ৰেড ক্ৰচ সংস্থাই বিগত ৮ বছৰত চিকিৎসকৰ ক্ষেত্ৰত হোৱা এয়া আটাইতকৈ ভয়ংকৰ আক্ৰমণ বুলি অভিহিত কৰিছে।

অৱশ্যে আক্ৰমণৰ সময়ত চিকিৎসকৰ গাড়ীখনত কোনো ধৰণৰ জৰুৰীকালীন প্ৰতীক চিহ্নিত কৰা নাছিল বুলি ইজৰাইল কৰ্তৃপক্ষই প্ৰকাশ কৰি কয়, যে এয়া জনাৰ পাছত তেওঁলোক পিছুৱাই আহে।

০০০০০

Desert Flag-10 অনুশীলন কাৰ্যসূচী আজিৰে পৰা সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰত আৰম্ভ হ'ব। এই অনুশীলত অংশগ্ৰহণৰ বাবে ভাৰতীয় বায়ুসেনাৰ এটা দল ইতিমধ্যে সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ আল ধাফ্ৰাৰ বায়ুঘাটিত উপস্থিত হৈছে। সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ বায়ুসেনাই আয়োজন কৰা এই অনুশীলনত অষ্ট্ৰেলিয়া, বাহৰেইন, ফ্ৰান্স, জাৰ্মানী, তুৰস্ক, কাটাৰ, চৌদি আৰৱ, কোৰিয়া সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ, ব্ৰিটেইন আৰু আমেৰিকাৰ বায়ুসেনা বাহিনীয়েও অংশগ্ৰহণ কৰিছে। এই অনুশীলন অহা ৮ মে'ত সামৰণি পৰিব।

০০০০০

মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত কালি অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছে চেন্নাই ছুপাৰ কিংছ ৯ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময় ১৭৬ ৰান কৰে। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে এটা উইকেট হেৰুৱাই ১৫ অভাৰ আৰু ৪টা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ৰোহিত শৰ্মাই ৪৫টা বলত ৭৬ ৰান কৰাৰ লগতে সূৰ্য কুমাৰ য়াদৱে ৩০টা বলত ৬৮ ৰান কৰে। ৰোহিত শৰ্মাক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাৰ আন এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে পাঞ্জাৱ কিংছ ৭ উইকেটত পৰাস্ত কৰে। পাঞ্জাৱ কিংছে নিৰ্ধাৰিত  অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৫৭ ৰান কৰে। প্ৰত্যুত্তৰত ৰয়েল ছেলেঞ্জাৰ্ছে ১৮ অভাৰ আৰু ৫টা বলত তিনিটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

ক'লকাতাৰ ইডেন গাৰ্ডেনছত আজি হ'বলগীয়া খেলত কলকাতা নাইট ৰাইডাৰ্ছ, গুজৰাট টাইটানছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

পেৰুৰ লিমাত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় শ্যুটি স্পোৰ্টছ ফেডাৰেচন বিশ্বকাপ প্ৰতিযোগিতাত ভাৰতৰ ৰুদ্ৰাংকছ পাটিল আৰু আৰ্য বোৰাছেৰ যুটিয়ে ৰূপৰ পদক অৰ্জন কৰিছে। প্ৰতিযোগিতাত ভাৰতে এতিয়ালৈ দুটা সোণ, তিনিটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰি তালিকাৰ তৃতীয় স্থানত আছে। চীন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ প্ৰথম আৰু দ্বিতীয় স্থান আছে। আজি প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০০০

ইউক্ৰেইন আৰু ৰাছিয়াই যুদ্ধ বিৰতি ভংগ কৰা বুলি পৰস্পৰ অভিযোগৰ মাজতেই ইষ্টাৰ উপলক্ষে ঘোষণা কৰা ৩০ ঘণ্টীয়া যুদ্ধ বিৰতি কালি নিশা সমাপ্ত হয়। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে শনিবাৰৰ সন্ধিয়াৰ পৰা দেওবাৰে মাজনিশা লৈ এই ৩০ ঘণ্টীয়া ইষ্টাৰ যুদ্ধ বিৰতিৰ ঘোষণা কৰিছিল। ইউক্ৰেইনেও এই প্ৰস্তাৱ মানি লৈছিল। অৱশ্যে ইউক্ৰেইনে এই যুদ্ধ বিৰতি ভংগ কৰা বুলি ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে অভিযোগ কৰিছে। ইপিনে, ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে কয়, যে ৰাছিয়াইহে ইউক্ৰেইনৰ ওপৰত ধাৰাবাহিকভাৱে আক্ৰমণ চলাই আহিছে। উল্লেখযোগ্য যে, ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা দীৰ্ঘদিনীয়া সংঘাত ২০২২ চনৰ ফেব্ৰুৱাৰীত আৰম্ভ হৈছিল। ৰাছিয়াই ইউক্ৰেইনৰ ক্ৰিমিয়া চহৰকে ধৰি ২০ শতাংশ অঞ্চল নিজৰ নিয়ন্ত্ৰণত আনিবলৈ সমৰ্থ হৈছে। দুয়োখন দেশৰ মাজত চলি থকা এই যুদ্ধৰ ফলত দুয়োপক্ষৰ হাজাৰতকৈও অধিক লোকৰ মৃত্যুৰ লগতে ভালেসংখ্যক লোক আহত হৈছে।

০০০০০

**সমাপ্ত**